**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-01-2026 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাজিৰঙা এলিভেটেড কৰিড’ৰ আৰু ৰাষ্ট্ৰীয় ঘাইপথৰ কলিয়াবৰ-নুমলীগড় অংশৰ চাৰিশৰীয়া পথৰ উন্নীতকৰণ প্ৰকল্পৰ আধাৰশিলা স্থাপন।

২। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত গঁড় হত্যা ৰোধৰ বাবে ৰাজ্য চৰকাৰে লোৱা পদক্ষেপক প্ৰধানমন্ত্ৰীৰ প্ৰশংসা।

৩। কামাখ্যা ৰৌহটক অমৃত ভাৰত বিশেষ ৰে’লখন বিভিন্ন ৰে’ল ষ্টেচনত আদৰণি।

আৰু

৪। ইন্দোৰত অনুষ্ঠিত তৃতীয়খন এদিনীয়াত নিউজিলেণ্ডৰ ভাৰতক ৩৩৮ ৰানৰ বিজয় লক্ষ্য নিৰ্ধাৰণ।

০০০০

উত্তৰ-পূৰ্বাঞ্চল সম্প্ৰতি ভাৰতৰ উন্নয়নৰ ক্ষেত্ৰত নতুন দুৱাৰমুখ হিচাপে উদ্ভাসিত হৈ উঠিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে। উত্তৰ-পূবক দেশৰ বাকী অংশৰ সৈতে উন্নয়নৰ পথত সমানে আগবঢ়াই নিয়াৰ বাবে বিজেপি নেতৃত্বাধীন চৰকাৰখনে গ্ৰহণ কৰা লক্ষ্যৰ বিষয়েও প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। কাজিৰঙা এলিভেটেড কৰিড’ৰ প্ৰকল্প আৰু ৭১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কলিয়াবৰ-নুমলীগড় অংশৰ চাৰিশৰীয়া পথৰ উন্নীতকৰণৰ বাবে অনুষ্ঠিত ভূমিপূজনত প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি অংশগ্ৰহণ কৰে। এই উপলক্ষে কলিয়াবৰৰ মৌচন্দা পথাৰত আয়োজিত এখন ৰাজহুৱা সভাত ভাষণ দি তেওঁ কয়, যে অসম উন্নতিৰ পথত আগবাঢ়িলে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলেই উন্নতিৰ পথত আগবাঢ়িব আৰু উত্তৰ-পূৰ্বাঞ্চল আগবাঢ়িলে সামগ্ৰিকভাৱে ভাৰতবৰ্ষৰ উন্নয়ন সাধন সম্ভৱ হ’ব। ছহেজাৰ ৯৫৭ কোটি টকা ব্যয়সাপেক্ষ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ওপৰেৰে নিৰ্মাণ কৰিবলগীয়া ৩৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ এলিভেটেড কৰিড’ৰ আৰু কলিয়াবৰৰ পৰা নুমলীগড়লৈ হ’বলগীয়া চাৰিশৰীয়া ৰাষ্ট্ৰীয় ঘাইপথৰ উন্নয়ন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে বিজেপি চৰকাৰে অসমৰ আন্তঃগাঁথনিৰ উন্নয়নক বিশেষ অগ্ৰাধিকাৰ প্ৰদান কৰিছে। ইয়াৰ ফলত অঞ্চলটোৰ বাবে নতুন নতুন সুযোগ আৰু দীৰ্ঘকালীন উন্নয়নৰ পথ প্ৰশস্ত হ’ব বুলি মত প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে অৰ্থনীতি আৰু পৰিবেশতন্ত্ৰ দুয়োবিধ একে সময়তে একেলগে আগবাঢ়ি যাব পাৰে আৰু এই দুয়োবিধৰ মাজত সংঘাত হ’ব পাৰে বুলি তেওঁ বিশ্বাস নকৰে। অনুষ্ঠানত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে অসমৰ উন্নয়নৰ ক্ষেত্ৰত পূৰ্বৰ কংগ্ৰেছ চৰকাৰে নিস্ক্ৰিয় ভূমিকা গ্ৰহণ কৰা বুলি দলটোক সমালোচনা কৰি ভাৰতীয় জনতা পাৰ্টি সম্প্ৰতি দেশবাসীৰ একমাত্ৰ ভাৰসা হৈ উঠা বুলিও উল্লেখ কৰে। কাজিৰঙাক দেশৰ জৈৱ বৈচিত্ৰ্যৰ অমূল্য ৰত্ন বুলিও তেওঁ অভিহিত কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে কাজিৰঙা কেৱল মাত্ৰ ৰাষ্ট্ৰীয় উদ্যান নহয়, কাজিৰঙা অসমৰ আত্মা। কাজিৰঙাৰ বন্যপ্ৰাণীক ৰক্ষা কৰি অসমৰ ভৱিষ্যত প্ৰজন্মক সুৰক্ষিত কৰাটো চৰকাৰৰ দায়িত্ব বুলিও তেওঁ মন্তব্য কৰে। ৰাষ্ট্ৰীয় উদ্যানখনত গঁড় হত্যা ৰোধ কৰাৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা কঠোৰ পদক্ষেপক প্ৰধানমন্ত্ৰীয়ে প্ৰশংসা কৰে।

বাইট (পি এম)

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজিৰ সভাত বৃহৎ সংখ্যক লোক সমবেত হোৱা বুলি উল্লেখ কৰি ভাষণত প্ৰধানমন্ত্ৰী শ্ৰীমোদীৰ শলাগ লয়। ৰাজ্যখনৰ উন্নয়নৰ বাবে নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে লোৱা পদক্ষেপৰ বাবে মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰীক কৃতজ্ঞতা জ্ঞাপন কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে **ডিব্ৰুগড়ৰ পৰা লক্ষ্ণৌৰ গোমটিলৈ** আৰু **কামাখ্যাৰ পৰা ৰ’হটকলৈ** চলিবলগীয়া দুখন নতুন অমৃত ভাৰত এক্সপ্ৰেছ ৰে’লগাড়ীৰ যাত্ৰাৰো আজি ভাৰ্চুৱেল ব্যৱস্থাৰে শুভাৰম্ভণি কৰে। এই নতুন ৰে’ল সেৱাই উত্তৰ-পূৰ্বাঞ্চল আৰু

উত্তৰ ভাৰতৰ মাজৰ ৰে'ল যোগাযোগ ব্যৱস্থা সুদৃঢ় কৰিব। বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে অসমক ৰে'ল বাজেটত ১০ হাজাৰ কোটি টকা দিয়া বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কলিয়াবৰৰ পৰা ভাৰ্চুৱেলী শুভাৰম্ভ কৰা ডিব্ৰুগড়-লক্ষ্ণৌ অমৃত ভাৰত ৰে'লগাড়ীখনৰ যাত্ৰাৰ সৈতে সংগতি ৰাখি চৰাইদেউ জিলাৰ মৰাণ ৰে'ল ষ্টেচন আৰু শিৱসাগৰ জিলাৰ শিমলুগুৰি ৰে'ল জংচনত বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। স্থানীয় ৰাইজ আৰু ৰে'ল বিভাগৰ বিষয়াবৰ্গৰ উপস্থিতিত ডিব্ৰুগড়ৰ পৰা যাত্ৰা আৰম্ভ কৰা ৰে'লখনক প্ৰথমে মৰাণ ৰে'ল ষ্টেচন আৰু পাছত শিমলুগুৰি ৰে'ল জংচনত আদৰণি জনোৱা হয়। উল্লেখযোগ্য যে, অমৃত ভাৰত এক্সপ্ৰেছ ৰে'লগাড়ীত যাত্ৰীৰ সুৰক্ষাৰ বাবে কেতবোৰ অত্যাধুনিক প্ৰযুক্তি সংযোজন কৰা হৈছে। ৰে'লগাড়ী দুখনৰ শীত-তাপ নিয়ন্ত্ৰিত নোহোৱা ডবাসমূহতো অৰ্ধস্বয়ংক্ৰিয় কাপলাৰ, অগ্নি নিৰ্বাপণ প্ৰণালী আৰু টকবেক ইউনিটকে ধৰি অত্যাধুনিক সুৰক্ষা ব্যৱস্থা ৰখা হৈছে। এই সন্দৰ্ভত চৰাইদেউৰ ৰে'ল বিভাগৰ এজন কৰ্মীয়ে এইদৰে কয় ঃ

*-বাইট-*

ডিব্ৰুগড় বাণীপুৰ ৰে'ল ষ্টেচনত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত ৰাজ্যসভাৰ সাংসদ তথা প্ৰাক্তন কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী ৰামেশ্বৰ তেলী, কেবিনেট মন্ত্ৰী প্ৰশান্ত ফুকন, ডিব্ৰুগড় জিলা আয়ুক্ত বিক্ৰম কৈৰী, মেয়ৰ ডাঃ সৈকত পাত্ৰকে ধৰি ৰে'ল বিভাগৰ বিষয়াববীয়া উপস্থিত থাকে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি যাত্ৰাৰ শুভাৰম্ভ কৰা কামাখ্য ৰৌহটক অমৃত ভাৰত বিশেষ ৰে'লখন বৰপেটা ৰোড ষ্টেচনত আদৰণি জনোৱা হয়। এই উপলক্ষে বৰপেটা ৰোড ৰে'ল ষ্টেচন কৰ্তৃপক্ষই এটা বিশেষ অনুষ্ঠানত আয়োজন কৰে। দুপৰীয়া ষ্টেচনটো ৰে'লগাড়ীখন আহি ৰোৱাৰ লগে লগে ৰে'লখন পৰিচালনাৰ সৈতে জড়িত সকলোকে আদৰণি জনোৱা হয়। উল্লেখযোগ্য যে, বৰপেটা ৰোডটো ষ্টপেজ থকা ৰে'লখনৰো বাবে কেইবাখনো জিলাৰ ৰাইজ যোগাযোগৰ ক্ষেত্ৰত যথেষ্ট উপকৃত হ'ব বুলি আশা কৰা হৈছে। একেদৰে বাণিজ্যিক চহৰখনৰ পৰা বয়বস্তু পৰিবহণৰ ক্ষেত্ৰতো ৰে'লখনে সহায় কৰিব বুলি আশা কৰা হৈছে। আজিৰ অনুষ্ঠানত স্থানীয় বিধায়ক মনোৰঞ্জন তালুকদাৰো উপস্থিত থাকে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কলিয়াবৰৰ পৰা ভাৰ্চুৱেলী শুভাৰম্ভ কৰা ডিব্ৰুগড়-লক্ষ্ণৌ অমৃত ভাৰত ৰে'লগাড়ীখনৰ যাত্ৰাৰ সৈতে সংগতি ৰাখি চৰাইদেউ জিলাৰ মৰাণ ৰে'ল ষ্টেচন আৰু শিৱসাগৰ জিলাৰ শিমলুগুৰি ৰে'ল জংচনত বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। স্থানীয় ৰাইজ আৰু ৰে'ল বিভাগৰ বিষয়াবৰ্গৰ উপস্থিতিত ডিব্ৰুগড়ৰ পৰা যাত্ৰা আৰম্ভ কৰা ৰে'লখনক প্ৰথমে মৰাণ ৰে'ল ষ্টেচন আৰু পাছত শিমলুগুৰি ৰে'ল জংচনত আদৰণি জনোৱা হয়। উল্লেখযোগ্য যে, অমৃত ভাৰত এক্সপ্ৰেছ ৰে'লগাড়ীত যাত্ৰীৰ সুৰক্ষাৰ বাবে কেতবোৰ অত্যাধুনিক প্ৰযুক্তি সংযোজন কৰা হৈছে। ৰে'লগাড়ী দুখনৰ শীত-তাপ নিয়ন্ত্ৰিত নোহোৱা দবাসমূহতো অৰ্ধস্বয়ংক্ৰিয় কাপলাৰ, অগ্নি নিৰ্বাপণ প্ৰণালী আৰু টকবেক ইউনিটকে ধৰি অত্যাধুনিক সুৰক্ষা ব্যৱস্থা ৰখা হৈছে। এই সন্দৰ্ভত চৰাইদেউৰ ৰে'ল বিভাগৰ এজন কৰ্মীয়ে এইদৰে কয় ঃ

*-বাইট-*

ডিব্ৰুগড় বাণীপুৰ ৰে'ল ষ্টেচনত অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত ৰাজ্যসভাৰ সাংসদ তথা প্ৰাক্তন কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী ৰামেশ্বৰ তেলী, কেবিনেট মন্ত্ৰী প্ৰশান্ত ফুকন, ডিব্ৰুগড় জিলা আয়ুক্ত বিক্ৰম কৈৰী, মেয়ৰ ডাঃ সৈকত পাত্ৰকে ধৰি ৰে'ল বিভাগৰ বিষয়াববীয়া উপস্থিত থাকে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি যাত্ৰাৰ শুভাৰম্ভ কৰা কামাখ্য ৰৌহটক অমৃত ভাৰত বিশেষ ৰে'লখন বৰপেটা ৰোড ষ্টেচনত আদৰণি জনোৱা হয়। এই উপলক্ষে বৰপেটা ৰোড ৰে'ল ষ্টেচন কৰ্তৃপক্ষই এটা বিশেষ অনুষ্ঠানত আয়োজন কৰে। দুপৰীয়া ষ্টেচনটো ৰে'লগাড়ীখন আহি ৰোৱাৰ লগে লগে ৰে'লখন পৰিচালনাৰ সৈতে জড়িত সকলোকে আদৰণি জনোৱা হয়। উল্লেখযোগ্য যে, বৰপেটা ৰোডতো ষ্টপেজ থকা ৰে'লখনৰো বাবে কেইবাখনো জিলাৰ ৰাইজ যোগাযোগৰ ক্ষেত্ৰত যথেষ্ট উপকৃত

হ'ব বুলি আশা কৰা হৈছে। একেদৰে বাণিজ্যিক চহৰখনৰ পৰা বয়বস্তু পৰিবহণৰ ক্ষেত্ৰতো ৰে'লখনে সহায় কৰিব বুলি আশা কৰা হৈছে। আজিৰ অনুষ্ঠানত স্থানীয় বিধায়ক মনোৰঞ্জন তালুকদাৰো উপস্থিত থাকে।

০০০০

মাজুলীৰ আউনীআটি সত্ৰৰ মণিকাঞ্চন ৰংগমঞ্চত আজিৰে পৰা সদৌ অসম ভাওনা সমাৰোহ অনুষ্ঠিত হৈছে। এইবাৰ সমাৰোহত ৰাজ্যৰ ভিন্ন প্ৰান্তৰ ২০ খন নিৰ্বাচিত প্ৰতিযোগিতামূলক আৰু ৩ খন প্ৰদৰ্শনীমূলক ভাওনা প্ৰদৰ্শিত হ'ব। পুৱা প্ৰভাতি কীৰ্তনৰ পাছতেই উদযাপন সমিতিৰ সভাপতি তথা সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱগোস্বামীয়ে ধৰ্মধ্বজ্জা উত্তোলন কৰে। ইয়াৰ পাছত ক্ৰমে মণিকূটৰ দ্বাৰ উন্মোচন আৰু জুবিন গাৰ্গ প্ৰদৰ্শনী ক্ষেত্ৰ উদ্বোধন কৰা হয়। মাজুলীৰ লগতে ৰাজ্যৰ বিভিন্ন জিলাৰ পৰা অহা ৫শ গৰাকী সূত্ৰধাৰৰ সূত্ৰ নৃত্য পৰিৱেশনেৰে ভাওনা সমাৰোহৰ শুভাৰম্ভ হ'ব। উদ্বোধনী অনুষ্ঠানত অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামী, বৈদেশিক পৰিক্ৰমা ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা আৰু কৃষিমন্ত্ৰী অতুল বৰাকে ধৰি ভালসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। সমাৰোহত দিনৰ ভাগত শিশু, আই-মাতৃ, বিভিন্ন শিক্ষানুষ্ঠান, অনুষ্ঠান-প্ৰতিষ্ঠানে বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

০০০০০০

অসম ফুটবল সন্থাৰ উদ্যোগত আৰু ঢকুৱাখনা জিলা ক্ৰীড়া সন্থা তথা ধেমাজি জিলা ক্ৰীড়া সন্থাৰ আতিথ্যত অহা ২১ জানুৱাৰীৰ পৰা ঢকুৱাখনা, চিলাপথাৰ আৰু ধেমাজিত সমান্তৰালকৈ সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ মূল ৰাউণ্ডৰ খেলসমূহ অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাখন সন্দৰ্ভত আজি অনুষ্ঠিত সংবাদমেলত বিধায়ক নৱ কুমাৰ দলেই ক্ৰীড়াপ্ৰেমী ৰাইজৰ উপস্থিতি কামনা কৰে। সংবাদমেলত ঢকুৱাখনা সমজিলা আয়ুক্তৰ লগতে সৰ্বভাৰতীয় ফুটবল ফেডাৰেছনৰ প্ৰতিনিধি উপস্থিত থাকে।

০০০০০০০

ভাৰতৰ বিৰুদ্ধে ইন্দোৰৰ হোলকাৰ ষ্টেডিয়ামত আজি অনুষ্ঠিত এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত নিউজিলেণ্ডে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত অ'ভাৰত ৮ টা উইকেট হেৰুৱাই ৩৩৭ ৰান সংগ্ৰহ কৰিছে। নিউজিলেণ্ডৰ হৈ ডেৰিল মিচেল আৰু গ্লেন ফিলিপ্‌ছে শতক অৰ্জন কৰে। ডেৰিল মিচেলে ১৩৭ আৰু ফিলিপ্‌ছে ১০৬ ৰান কৰি আউট হয়। উইল য়ঙে ৩০ আৰু মাইকেল ব্ৰেছৱেলে ২৮ ৰানৰ বৰঙণি আগবঢ়ায়। ভাৰতৰ হৈ অৰ্শদীপ সিং আৰু হৰ্ষিত ৰানাই তিনিটাকৈ উইকেট দখল কৰে।

০০০০০০০

চৰাইদেউ জিলাৰ সোণাৰিৰ ভগৱতী প্ৰসাদ বৰুৱা সোঁৱৰণি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন শিক্ষক, সাংবাদিক, সমাজকৰ্মী, শিল্পী পেঞ্চনাৰ ডিম্বেশ্বৰ গগৈৰ কালি সন্ধিয়া দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯১ বছৰ। আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰত ১৯৬৯ চনৰ পৰা বিহুনাম পৰিৱেশন কৰি অহা শিল্পীগৰাকী বিভিন্ন সামাজিক কাম-কাজৰ সৈতে জড়িত আছিল। তেওঁৰ মৃত্যুত বিভিন্ন ব্যক্তি আৰু দল-সংগঠনে শোক প্ৰকাশ কৰিছে।

০০০০০০০

**সমাপ্ত**